হাৰিয়ানা ৰাজ্য আৰু অন্যান্য

বনাম

এম. পি. মোহলা

নৱেম্বৰ ১০, ২০০৬

[এছ. বি. সিনহা আৰু দলবীৰ ভাণ্ডাৰী, জেজে.]

*দেৱানী কাৰ্যবিধি, ১৯০৮ --- আদেশ XLVII --- পুনৰ্নিৰীক্ষণ আবেদন --- ৰক্ষণাবেক্ষণযোগ্যতাৰ --- উচ্চ পদোন্নতিৰ সংশোধিত বেতন নিৰিখৰ বাবে কৰ্মচাৰীয়ে জনোৱা দাবী --- ৰাজ্যৰ দ্বাৰা অস্বীকাৰ কৰা হয় --- লেখ আবেদন --- ৰাজ্যই বিৰোধী শপতনামাযোগে স্বীকাৰোক্তি প্ৰদান কৰে যে কৰ্মচাৰীৰ বেতনৰ নিৰিখ নিৰ্ধাৰণকৰণ, সংশোধিত বেতন নিয়মাৱলীৰ দ্বাৰা পৰিচালিত হয় --- উচ্চ ন্যায়ালয়ৰ দ্বাৰা দাবী অনুমোদিত কৰা হয় --- উচ্চ ন্যায়ালয়ে প্ৰদান কৰা নিৰ্দেশৰ বিৰুদ্ধে থকা দাখিল কৰা এছ এল পিত এ চি পি নিয়মাৱলীৰ প্ৰযোজ্যতা আৰু সংশোধিত দৰমহা নিয়মাৱলীৰ অপ্ৰযোজ্যতাৰ ওপৰত প্ৰশ্ন উত্থাপন কৰিছে ; উচ্চতম ন্যায়ালয়ে খাৰিজ কৰে --- নিয়মাৱলীৰ প্ৰযোজ্যতাৰ সন্দৰ্ভত স্পষ্টীকৰণ বিচাৰি উচ্চ ন্যায়ালয়ে প্ৰদান কৰা আদেশৰ পুনৰ্নিৰীক্ষণ কৰিবৰ কাৰণে দাখিল কৰা পুনৰ্নিৰীক্ষণ আবেদন --- খাৰিজ কৰা হয় --- আপীল কৰাত এই ৰায় দিয়া হয় যে- পুনৰ্নিৰীক্ষণ আবেদন ৰক্ষণাবেক্ষণযোগ্য নাছিল --- লেখ আবেদনত লোৱা স্থিতিৰ বিপৰীত বা অসংগতিপূৰ্ণ স্পষ্টীকৰণ বিচৰাৰ ক্ষেত্ৰত ৰাজ্য মুক্ত নাছিল --- পুনৰ্নিৰীক্ষণ আবেদনত এটা বা অন্য নিয়মৰ প্ৰযোজ্যতাৰ সন্দৰ্ভত উত্থাপিত প্ৰশ্নৰ ওপৰত কোনো সিদ্ধান্ত ল'ব নোৱাৰিলে --- হাৰিয়ানা অসামৰিক সেৱা (সংশোধিত বেতন) নিয়মাৱলী, ১৯৯৮ --- হাৰিয়ানা অসামৰিক সেৱা (পেচাৰ নিশ্চিত অগ্ৰগতি) নিয়মাৱলী, ১৯৯৮।*

প্ৰতিবাদীক ১৯৬৫ চনত পশু চিকিৎসা অস্ত্ৰোপ্ৰচাৰৰ বিশেষজ্ঞ হিচাপে নিযুক্তি দিয়া হৈছিল। ১৯৮০ চনত তেওঁক ০১/০৪/১৯৯২ তাৰিখৰ পৰা কাৰ্যকৰী হোৱাকৈ সহকাৰী সঞ্চালকৰ পদলৈ পদোন্নতি কৰা হৈছিল, তেওঁৰ দৰমহাৰ বাছনি গ্ৰেডৰ নিৰিখ আছিল ৪১০০-৫৩০০/- টকা। ০৯/০৪/১৯৯৬ তাৰিখে তেওঁক উপ-সঞ্চালক পদলৈ পদোন্নতি কৰা হৈছিল। ১৯৯৮ চনত হাৰিয়ানা অসামৰিক সেৱা (সংশোধিত বেতন) নিয়মাৱলী, ১৯৯৮ আৰু হাৰিয়ানা অসামৰিক সেৱা (পেচাৰ নিশ্চিত অগ্ৰগতি) নিয়মাৱলী, ১৯৯৮ (এ চি পি নিয়মাৱলী) বলৱৎ হৈছিল। এ চি পি নিয়মাৱলী অনুসৰি, ০১/০১/১৯৯৬ তাৰিখৰ পৰা কাৰ্যকৰী হোৱাকৈ বেতনৰ নিৰিখ ৪১০০-৫৩০০/- টকাৰ পৰা ১২০০০-১৬৫০০/- টকালৈ সংশোধিত কৰা হৈছিল। প্ৰতিবাদীক উচ্চ দায়িত্বৰ এখন প্ৰমাণ পত্ৰও প্ৰদান কৰা হৈছিল। তেওঁৰ বেতনৰ নিৰিখ ১৩৫০০-১৭২৫০/- টকাত নিৰ্ধাৰণ কৰা হৈছিল। তেওঁ তেওঁৰ বেতনৰ নিৰিখ ১৪৩০০-১৮৩০০/- টকাৰ উচ্চ পদোন্নতিৰ সংশোধিত বেতনৰ নিৰিখত নিৰ্ধাৰণ কৰিবলৈ দাবী জনাইছিল। তেওঁৰ উক্ত দাবী নাকচ কৰা হৈছিল। সেয়েহে তেওঁ এই ভিত্তিত লেখ আবেদন দাখিল কৰিছিল যে উপ-সঞ্চালকৰ পৰৱৰ্তী উচ্চ পদলৈ পদোন্নতি কৰাৰ ফলস্বৰূপে তেওঁ ১৪৩০০-১৮৩০০/- টকাৰ পৰৱৰ্তী উচ্চ সংশোধিত বেতনৰ নিৰিখ লাভ কৰাৰ অধিকাৰী। উচ্চ ন্যায়ালয়ে উক্ত লেখ আবেদনৰ অনুমতি প্ৰদান কৰিছিল। উচ্চ ন্যায়ালয়ৰ আদেশৰ বিৰূদ্ধে দাখিল কৰা বিশেষ অনুমতিৰ আবেদন উচ্চতম ন্যায়ালয়ৰ দ্বাৰা খাৰিজ কৰা হৈছিল, য'ত ৰাজ্যখনে সংশোধিত বেতন নিয়মাৱলীৰ অধীনত প্ৰতিবাদী ৪১০০-৫৩০০/- টকাৰ সংশ্লিষ্ট বেতন নিৰিখৰ অধিকাৰী নহয় বুলি উল্লেখ কৰি, সংশোধিত বেতন নিয়মাৱলী আৰু এ চি পি নিয়মাৱলীৰ প্ৰযোজ্যতাৰ ক্ষেত্ৰত বিজুতি থকা বুলি প্ৰশ্ন উত্থাপন কৰিছিল। এই মন্তব্য লেখ আবেদনৰ অন্তৰ্গত বিৰোধী শপতনামাত উল্লেখিত তেওঁৰ মন্তব্যৰ বিপৰীত আছিল, য'ত এইটো স্বীকাৰ কৰা হৈছিল যে প্ৰতিবাদীজন সংশোধিত বেতন নিয়মাৱলীৰ দ্বাৰা পৰিচালিত হৈ আছিল। এছ এল পি খাৰিজ কৰাৰ পিছতো, ৰাজ্যই নিয়মসমূহৰ প্ৰযোজ্যতাৰ সন্দৰ্ভত স্পষ্টীকৰণ বিচাৰি উচ্চ ন্যায়ালয়ত পুনৰ্নিৰীক্ষণ আবেদন দাখিল কৰিছিল। প্ৰতিবাদীয়ে তাত দাবী উত্থাপন কৰিছিল যে এ চি পি নিয়মাৱলী প্ৰযোজ্য নহয়, কাৰণ এই নিয়মাৱলী

বলৱৎ হোৱাৰ পূৰ্বেই তেওঁক ইতিমধ্যে দুবাৰকৈ পদোন্নতি প্ৰদান কৰা হৈছিল। পুনৰ্নিৰীক্ষণ আবেদনখন খাৰিজ কৰা হৈছিল। সেয়েহে বৰ্তমানৰ এই আবেদন।

আপিলটো খাৰিজ কৰি ন্যায়ালয়ে ৰায় প্ৰদান কৰে যে,

১.১/ আপীলকাৰীসকলে দাখিল কৰা পুনৰ্নিৰীক্ষণ আবেদন বাহাল ৰখাৰ যোগ্য নাছিল। অভিলেখত কোনো ভুল আপাত-দৃষ্টিগোচৰ হোৱা নাছিল। এটি ৰায়ৰ প্ৰভাৱক এটি পৃথক প্ৰক্ৰিয়াত পৰৱৰ্তী ঘটনাৰ কাৰণ, যিটো উদ্ভৱ হলহেঁতেন, তাৰ সন্দৰ্ভত নতুনকৈ বিবেচনা কৰিবলগীয়া হ'ব পাৰে, কিন্তু সেই একেই কাৰণ এখন পুনৰ্নিৰীক্ষণ আবেদন দাখিল কৰাৰ ভিত্তি নহ'বও পাৰে। [৯৩৬-চি-ডি]

১.২/ কাৰ্যকৰীকৰণৰ আৰু বিষয়বস্তুৰ পুনৰ্নিৰীক্ষণৰ বাবে কৰা আবেদনখন উচ্চ ন্যায়ালয়ৰ ৰায়ৰ স্পষ্টীকৰণ কৰাৰ উদ্দেশ্যে দাখিল কৰা আবেদন নাছিল। এখন পুনৰ্নিৰীক্ষণ আবেদনৰ ফলাফল লাভ কৰিবলৈ এখন স্পষ্টীকৰণ আবেদনৰ আশ্ৰয় ল'ব নোৱাৰি। যি প্ৰত্যক্ষভাৱে কৰিব নোৱাৰি, সেয়া পৰোক্ষভাৱেও কৰিব নোৱাৰি। [৯৩৬-ডি-ই]

*ৰাম চন্দ্ৰ সিং বনাম সাবিত্ৰী দেৱী আৰু অন্যান্য;* [২০০৪] ১২ এছ চি চি ৭১৩ গোচৰটো উল্লেখ কৰা হৈছে।

১.৩/ এটা ৰায় সম্পূৰ্ণৰূপে পাঠ কৰিব লাগে। ন্যায়ালয়ৰ ৰায় কাৰ্যকৰীও কৰিব লাগে। কিন্তু ৰায়ৰ প্ৰভাৱ কি হ'ব সেয়া লেখ আবেদনত দাবী কৰা সকাহৰ পৰাই বিবেচনা কৰিব লাগিব আৰু লগতে ইয়াৰ প্ৰভাৱসমূহো বিবেচনা কৰিব লাগিব যিসমূহ সমগ্ৰ ৰায়টো পাঠ কৰিহে ব্যাখ্যা কৰিব পৰা যাব। পক্ষসমূহৰ আবেদনবোৰৰ মুলতত্বৰ সন্দৰ্ভটো এটা ৰায় পাঠ কৰিব লগা হয়। [৯৩৪-ই-এফ]

*কৰ্ণাটক ৰাজ্য আৰু অন্যান্য বনাম চি ললিতা,* [২০০৬] ২ এছ চি চি ৭৪৭, গোচৰৰ ওপৰত নিৰ্ভৰ কৰা হৈছে।

**১.৪/ লেখ প্ৰক্ৰিয়াসমূহত গ্ৰহণ কৰা স্থিতিৰ বিপৰীত বা ইয়াৰ সৈতে অসামঞ্জস্যপূৰ্ণ স্পষ্টীকৰণ বিচৰাৰ ক্ষেত্ৰতো মোকৰ্দমাটোৰ যিকোনো এটি পক্ষৰ বাবে মুক্ত নহ'ব পাৰে। পৰৱৰ্তী পৰিঘটনাৰ হয়তো কিছু প্ৰাসংগিকতা থাকিব পাৰে কিন্তু পুনৰ্নিৰীক্ষণ কৰিব বিচৰা ৰায়ৰ সৈতে তাৰ প্ৰত্যক্ষ যোগসূত্ৰ থাকিব লাগিব। এই মোকৰ্দমাত তাৎপৰ্য্যপূৰ্ণ পৰৱৰ্তী পৰিঘটনাটো হ'ল অৱমাননা আবেদন দাখিল কৰা। অৱমাননা আবেদনত আপীলকাৰীসকলৰ নিৰ্দিষ্ট স্থিতি হ'ল যে তেওঁলোকৰ দ্বাৰা আদালতৰ আদেশ পালন কৰা হৈছিল। যদি আদালতৰ আদেশ পালন কৰা হৈছিল, তেন্তে পৰৱৰ্তী এনে কোনো পৰিঘটনা হোৱা নাছিল যাক বিবেচনা কৰাটো প্ৰয়োজনীয় আছিল। আদালত অৱজ্ঞা অধিনিয়ম,১৯৭১ ৰ বিধানৰ অধীনত আবেদন দাখিল কৰাটো নিজেই কোনো ৰায়ৰ অধীনত থকা সুবিধা অস্বীকাৰ কৰাৰ ভিত্তি হ'ব নোৱাৰে। ন্যায়ালয়ৰ ৰায়দান কাৰ্যকৰী হৈছে বুলি কোৱাটো এটা কথা, কিন্তু ৰায়ৰ প্ৰভাৱ প্ৰতিবাদীয়ে বিচৰা ধৰণে নোহোৱাটো অন্য এটা কথা। সেই অৰ্থতেই এই ন্যায়ালয়ে উক্ত আইনখন ধাৰ্য্য কৰিছে যাতে তেনে পৰৱৰ্তী পৰিঘটনাই এক নতুন কাৰ্য্যৰ কাৰণৰ সৃষ্টি কৰিব পাৰে। [৯৩৬-জি; ৯৩৭-চি-এফ]**

*ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ড আৰু অন্যান্য বনাম নেতাজী ক্ৰিকেট সংঘ আৰু অন্যান্য;* **[২০০৫] ৪ এছ চি চি ৭৪১, গোচৰটো বিশেষ ভাৱে বিবেচনা কৰা হৈছে।**

*ভাৰতীয় হাউচিং কোপ ছ'ছাইটি লিমিটেড বনাম ৰাজস্থান ৰাজ্য আৰু অন্যান্য,* **[২০০৫] ১২ এছ চি চি ১৪৯, গোচৰটো উল্লেখ কৰা হৈছে।**

**২.১/ আদালত এই প্ৰশ্নত নাযায় যে হাৰিয়ানা অসামৰিক সেৱা (পেচাৰ নিশ্চিত অগ্ৰগতি) নিয়মাৱলী, ১৯৯৮ ৰ ওপৰত হাৰিয়ানা অসামৰিক সেৱা (সংশোধিত বেতন) নিয়মাৱলী, ১৯৯৮ প্ৰতিবাদীৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব নে নহয়। পক্ষসমূহৰ মাজত হোৱা বিবাদ আইন অনুসৰি মীমাংসা কৰিব লাগে। কিন্তু, এই কথাটো অস্বীকাৰ বা বিতৰ্কিত কৰিব নোৱাৰি যে এবাৰ পক্ষসমূহৰ মাজত হোৱা বিবাদৰ ওপৰত আইনগত ভাবে ৰায়**

প্ৰদান কৰিলে তাক যুক্তিসংগত সিদ্ধান্তত উপনীত কৰিব লাগিব। যদি কোনো এটা প্ৰশ্ন যিটো পূৰ্বতে উত্থাপন কৰা হোৱা নাছিল আৰু যাৰ ক্ষেত্ৰত উচ্চ ন্যায়ালয়ে কোনো সিদ্ধান্ত লোৱা নাছিল, তেন্তে উক্ত প্ৰশ্নই কোনো পক্ষক এক উপযুক্ত পৰ্য্যায়ত প্ৰতিবাদ কৰাত বাধা প্ৰদান নকৰে, কিন্তু, নিশ্চিতভাৱে পূৰ্ব্ব বিচাৰিত(res judicata) বা গঠনমূলক পূৰ্ব্ব বিচাৰিত(res judicata) নীতিৰ প্ৰযোজ্যতাৰ ভিত্তিতহে। এই কথাও বাৰে বাৰে দোহাৰা অপ্ৰয়োজনীয় যে যদিহে কোনো এক ৰায় কাৰ্য্যকৰী কৰাৰ সময়ত পৰৱৰ্তী কাৰ্য্যৰ কোনো কাৰণৰ সৃষ্টি হৈছিল, তেন্তে নতুনকৈ লেখ আবেদন দাখিল কৰিব পাৰি, যিহেতু এক নতুন কাৰ্য্যৰ কাৰণৰ উদ্ভৱ হৈছে। [৯৩৫-বি-ডি]

*জে. এছ. পৰিহাৰ বনাম গণপত ডুগ্গৰ আৰু অন্যান্য,* [১৯৯৬] ৬ এছ চি চি ২৯১; *উৰিষ্যা ৰাজ্য আৰু অন্যান্য বনাম অশ্বিনী কুমাৰ বলিয়াৰসিং,* [২০০৬] ৭ এছ চি এ এল ই ৬১০, উল্লেখ কৰা হৈছে।

২.২/ যিহেতু একেটা কাৰ্য্যবিধিত কোনো এক পক্ষই স্বীকাৰ কৰা কোনো কথা পৰৱৰ্তী পৰ্য্যায়ত তেওঁ অস্বীকাৰ কৰিবলৈ অনুমতি দিয়া নহ'বও পাৰে, তেন্তে এয়াও পুনৰাবৃত্তি কৰাটো অপ্ৰয়োজনীয় যে আইনৰ বিপৰীতে কৰা কোনো স্বীকাৰকৰণ কাৰ্য ৰাজ্যৰ ওপৰত বাধ্যতামূলক নহ'ব। [৯৩৬-এ-বি]

*সংগ্ৰামসিং পি. গেকোৱাদ আৰু অন্যান্য বনাম এল আৰসকলৰ জৰিয়তে শান্তাদেৱী পি. গেকোৱাদ আৰু অন্যান্য,* [২০০৫] ১১ এছ চি চি ৩১৪, গোচৰটো বিশেষ ভাৱে বিবেচনা কৰা হৈছে।

২.৩/ যদি উত্তৰদাতাৰ ক্ষেত্ৰত এচিপি নিয়মসমূহ প্ৰযোজ্য হয়, তেন্তে ইয়াক উচ্চ ন্যায়ালয়ৰ দৃষ্টিগোচৰলৈ অনা আৰু উক্ত প্ৰশ্নটোৰ ওপৰত বিচাৰ বিচাৰ কৰাটো আবেদনকাৰীসকলৰ কৰ্তব্য আছিল। কিন্তু ইয়াৰ বিপৰীতে প্ৰণয়ন কৰা কাৰ্যকৰী আদেশক লেখ আবেদনত উত্থাপন নকৰা এটা প্ৰশ্ন উত্থাপন কৰি বাতিল কৰিবলৈ চেষ্টা কৰিব নোৱাৰি। প্ৰত্যক্ষ বা পৰোক্ষভাৱে বিষয়টোৰ নিৰ্ণয়ৰ বাবে প্ৰাসংগিক এটা প্ৰশ্নৰ ওপৰত

**হয়তো কোনো বিচাৰ নিৰ্ণয় নহ 'ব পাৰে কিন্তু এই প্ৰকাৰৰ ক্ষেত্ৰত এনে বিবাদ পুনৰীক্ষণৰ কাৰ্য্যক্ৰমত গ্ৰহণ কৰিব নোৱাৰি যাৰ ফলত আদালতৰ দ্বাৰা প্ৰদান কৰা সুবিধা কাঢ়ি লোৱাৰ প্ৰভাৱ পৰিব। [৯৩৬-ই-জি]**

**৩/ এক বা ততোধিক নিয়মাৱলীৰ প্ৰযোজ্যতাৰ সন্দৰ্ভত যদিহে ভৱিষ্যতে কোনো প্ৰশ্নৰ উত্থাপন হয়, তেন্তে তাক, আইন অনুসৰি তাৰ নিজা গুণ আৰু প্ৰত্যেক মোকৰ্দমাৰ পৰা লাভ কৰা তথ্যৰ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি নিৰ্ধাৰণ কৰিব লাগে। এই মোকৰ্দমাৰ তথ্য আৰু পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি, ব্যয়ৰ ক্ষেত্ৰত কোনো আদেশ প্ৰদান কৰা নহ'ব। [৯৩৮-বি]**

**দেৱানী আপীলৰ অধিকাৰক্ষেত্ৰ : দেৱানী আপীল নং ৪৭৭২/২০০৬।**

চণ্ডীগড়ৰ পঞ্জাব আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ে চি. ডব্লিউ. পি. নং ৯০৭১/১৯৯৯ ৰ আৰ. এ. নং ৩৪৭/২০০২ ত প্ৰদান কৰা ১১/০৫/২০০৪ তাৰিখৰ চূড়ান্ত ৰায় আৰু আদেশৰ পৰা।

আপীলকাৰীসকলৰ হৈ আৰ. শ্ৰীবাস্তৱ, অজয় চিৱচ আৰু টি. ভি. জৰ্জ।

প্ৰতিবাদীৰ হৈ প্ৰভজিৎ জৌহৰ আৰু এছ. এছ. জৌহৰ।

**ন্যায়াধীশ এছ. বি. সিনহা।** অনুমতি প্ৰদান কৰা হ'ল।

প্ৰতিবাদীক ০৫/০৮/১৯৬৫ তাৰিখে বা প্ৰায় ০৫/০৮/১৯৬৫ তাৰিখে হাৰিয়ানা পশু চিকিৎসা সেৱা (প্ৰথম শ্ৰেণী)ৰ নিবন্ধনত (cadre) পশু চিকিৎসা অস্ত্ৰোপ্ৰচাৰৰ বিশেষজ্ঞ হিচাপে নিযুক্তি প্ৰদান কৰা হৈছিল। ০১/০৬/১৯৮০ তাৰিখে তেওঁক সহকাৰী সঞ্চালক - সহ - উপ-খণ্ড বিষয়ালৈ পদোন্নতি কৰা হৈছিল। ১৯৮০ চনত তেওঁক ২৩৭৫-৩৬০০/- টকাৰ নিৰিখৰ বেতনৰ অনুমোদন প্ৰদান কৰা হৈছিল। অৱশ্যে, ৰাজ্যখনে ২৩৭৫-৩৫০০/- টকাৰ নিৰিখত বাছনি গ্ৰেডৰ নিৰিখৰ অনুমোদন কাৰ্য্যকৰী কৰিছিল যিটো ২২০০-৪০০০/- টকালৈ সংশোধিত কৰা হৈছিল আৰু চাকৰিত ১২ বছৰ সম্পূৰ্ণ কৰা

পশু চিকিৎসা অস্ত্রোপ্রচাৰৰ বিশেষজ্ঞৰ ২০% পদৰ বাবে ৪১০০-৫৩০০/- টকাৰ বাছনি গ্ৰেডৰ নিৰিখক সংশোধন কৰা হৈছিল| তেওঁক ০১/০৪/১৯৯২ তাৰিখৰ পৰা কাৰ্যকৰী হোৱাকৈ ১৯৯৩ চনৰ ২০ ছেপ্টেম্বৰ তাৰিখৰ আদেশৰ দ্বাৰা উক্ত দৰমহাৰ নিৰিখত স্থান দিয়া হৈছিল| অৱশ্যে, ইয়াৰ মাজতে ৩০০০-৪৫০০/- টকাৰ এক মধ্যৱৰ্তী জ্যেষ্ঠতা নিৰিখ প্ৰৱৰ্তন কৰা হৈছিল যিটো পাঁচ বছৰৰ চাকৰি সম্পূৰ্ণ কৰা ব্যক্তিসকলৰ ক্ষেত্ৰত প্ৰযোজ্য হৈছিল| তেওঁ তাৰো অধিকাৰী হৈ পৰিছিল| তেওঁক ৩০০০-৪৫০০/- টকাৰ বেতনৰ নিৰিখত উপ-সঞ্চালকৰ পদলৈ উন্নীত কৰা হৈছিল| ০৯/০৪/১৯৯৬ তাৰিখে তেওঁ ব্যক্তিগত দৰমহা হিচাপে ৪৫০০/- টকা আৰু ১০০/- টকা পাই আছিল|

হাৰিয়ানা অসামৰিক সেৱা (সংশোধিত বেতন) নিয়মাৱলী, ১৯৯৮ (চমুকৈ "সংশোধিত নিয়মাৱলী") ০৭/০১/১৯৯৮ তাৰিখে বলৱৎ কৰা হৈছিল যাৰ জৰিয়তে বেতনৰ নিৰিখ সংশোধন কৰা হৈছিল| উক্ত নিয়মাৱলী অনুসৰি, উপ-সঞ্চালক, যুটীয়া-সঞ্চালক/প্ৰকল্প সঞ্চালক পদসমূহৰ বেতনৰ নিৰিখ ৩০০০-৪৫০০/- টকা আৰু ৩০০০-৫০০০/- টকাৰ পৰা ক্ৰমে ১০০০০-১৩৯০০/- টকা আৰু ১০০০০-১৫২০০/- টকালৈ উন্নীত কৰা হৈছিল|

হাৰিয়ানা অসামৰিক সেৱা (পেচাৰ নিশ্চিত অগ্ৰগতি) নিয়মাৱলী, ১৯৯৮ (চমুকৈ "এ চি পি নিয়মাৱলী") শীৰ্ষক অন্য এক নিয়মাৱলী ০৭/০১/১৯৯৮ তাৰিখৰ পৰা কাৰ্যকৰী কৰা হৈছিল যাৰ জৰিয়তে বেতনৰ নিৰিখসমূহ ০১/০১/১৯৯৬ তাৰিখৰ পৰা কাৰ্যকৰী হোৱাকৈ ৩০০০-৪৫০০/- টকা আৰু ৪১০০-৫৩০০/- টকাৰ পৰা যথাক্ৰমে ১০০০০-১৩৯০০/- টকা আৰু ১২০০০-৩৭৫-১৬৫০০/- টকালৈ সংশোধন কৰা হৈছিল| এ চি পি নিয়মাৱলী অনুসৰি, প্ৰতিবাদীৰ বেতন ১২০০০-১৬৫০০/- টকাত নিৰ্ধাৰণ কৰা হৈছিল| ১৫/০৪/১৯৯৮ তাৰিখৰ এখন পত্ৰৰ দ্বাৰা প্ৰতিবাদীয়ে উচ্চমানৰ কৰ্তব্য প্ৰদৰ্শনৰ এখন প্ৰমাণ পত্ৰ প্ৰদানৰ বাবে অনুৰোধ জনাইছিল যাতে তেওঁ ১২০০০-১৬৫০০/- টকাৰ বেতনৰ নিৰিখত পদোন্নতি সংযোজনৰ সুবিধা লাভ কৰিবৰ কাৰণে দাবী জনাব পাৰে| তাত তেওঁ অন্যান্য ব্যক্তিসকলৰ উদাহৰণবোৰ উল্লেখ কৰিছিল যিসকলক একেধৰণৰ সুবিধা প্ৰদান কৰা হৈছিল|

১২/১০/১৯৯৮ তাৰিখৰ এটা আদেশৰ জৰিয়তে প্ৰতিবাদীৰ বেতনৰ নিৰিখ ১৩৫০০-১৭২৫০/- টকাত নিৰ্ধাৰণ কৰা হৈছিল। তেওঁক উচ্চমানৰ কৰ্তব্যৰ এখন প্ৰমাণ পত্ৰও প্ৰদান কৰা হৈছিল যাৰ ওপৰত ভিত্তি তেওঁ পদোন্নতিৰ সংশোধিত বেতন নিৰিখ ১৩৫০০-১৭২৫০/- টকা দাবী কৰিছিল। প্ৰতিবাদীৰ দাবী ১৬/০৪/১৯৯৬ তাৰিখৰ এক আদেশৰ দ্বাৰা নাকচ কৰা হৈছিল য'ত কোৱা হৈছিল:

"ওপৰত উল্লেখিত বিষয়টোৰ ওপৰত আপোনাৰ মনোযোগ আকৰ্ষণ কৰি জনোৱা হয় যে আপুনি ইতিমধ্যে আপোনাৰ পদোন্নতিৰ পূৰ্বে ৪১০০-৫৩০০/- টকাৰ উচ্চ দৰমহা নিৰিখত কাম কৰি আছে। সেয়েহে, আপোনাৰ দৰমহা এ চি পি নিয়মাৱলী, ১৯৯৮ ৰ অন্তৰ্গত ১৫ নং নিয়মৰ ৭ নং টোকাৰ ২ নং দফাৰ অধীনত শুদ্ধভাৱে নিৰূপণ কৰা হৈছিল। ০৭/০৩/১৯৮৮ তাৰিখৰ চৰকাৰী পত্ৰ দৰমহা নিৰ্ধাৰণৰ ক্ষেত্ৰত ০১/০১/১৯৯৬ তাৰিখৰ পৰা কাৰ্যকৰী হোৱাকৈ প্ৰযোজ্য নহয়।"

অন্যান্য সকাহৰ লগতে নিম্নলিখিত সকাহসমূহৰ বাবে দাবী জনাই প্ৰতিবাদীয়ে এখন লেখ আবেদন দাখিল কৰিছিল :

"(i) ১৬/০৪/১৯৯৯ তাৰিখৰ আদেশ (অনুবন্ধন পি/১৩) বাতিল কৰি আবেদনকাৰীৰ সপক্ষে আৰু প্ৰতিবাদীসকলৰ বিপক্ষে দয়া কৰি উৎপ্ৰেষণ প্ৰকৃতিৰ এখন লেখ জাৰি কৰা হয় যেন, যি আদেশৰ দ্বাৰা আবেদনকাৰীয়ে তেওঁৰ বেতনৰ নিৰিখ ১৪৩০০-৪০০-১৮৩০০/- টকাৰ উচ্চতৰ পদোন্নতিৰ সংশোধিত বেতনৰ নিৰিখত নিৰ্ধাৰণ কৰাৰ বাবে জনোৱা দাবীক উক্ত বিষয়টোক আওকাণ কৰি সম্পূৰ্ণৰূপে ভুল ভিত্তিত নাকচ কৰা হৈছিল যে আবেদনকাৰীয়ে ইতিমধ্যেই ০১/০৪/৯২ (অনুবন্ধন পি/২) তাৰিখৰ পৰা কাৰ্যকৰী হোৱা ৪১০০-৫৩০০/- টকাৰ নিযুক্তি শ্ৰেণীৰ বেতন লাভ কৰি আছিল আৰু যিটো নিযুক্তি শ্ৰেণীৰ নিৰিখ বৰ্তমান ০১/০১/১৯৯৬ তাৰিখৰ পৰা কাৰ্যকৰী হোৱাকৈ ১৩৫০০-১৭২৫০/- টকালৈ সংশোধিত কৰা হৈছে আৰু ফলস্বৰূপে ২৯/০৩/১৯৯৬ তাৰিখৰ পৰা কাৰ্যকৰী হ'বলগীয়া তেখেতৰ পৰৱৰ্তী উচ্চ পদ উপ-সঞ্চালকলৈ পদোন্নতি লাভ কৰাৰ পিছত আবেদনকাৰী ১৪৩০০-৪০০-১৮৩০০/- টকা অৰ্থাৎ পৰৱৰ্তী উচ্চ সংশোধিত নিৰিখৰ বেতন লাভ কৰাৰ অধিকাৰী।

(ii) সহকাৰী-সঞ্চালক-সহ-উপ-খণ্ড বিষয়াৰ পদত কাম কৰি থকা হ'লে আবেদনকাৰীয়ে যি বেতন লাভ কৰিলেহেঁতেন, অৰ্থাৎ বেতনৰ নিৰিখ ১৩৫০০-১৭২৫০/- টকাৰ পৰিৱৰ্তে, উপ-সঞ্চালক হিচাপে পদোন্নতি লাভ কৰাৰ পিছত, তেওঁৰ বেতনৰ নিৰিখ ১৪৩০০-৪০০-১৮৩০০/- টকাত নিৰিখত নিৰ্ধাৰণ কৰিবলৈ নিৰ্দেশ প্ৰদান কৰি, আবেদনকাৰীৰ সপক্ষে আৰু প্ৰতিবাদীসকলৰ বিৰুদ্ধে দয়া কৰি পৰমাদেশ প্ৰকৃতিৰ এখন লেখ জাৰি কৰে যেন আৰু বিকল্পভাৱে প্ৰতিবাদীসকলক চি আৰ এছ ভ'ল-I ৰ অন্তৰ্গত ৪.৪ (চি)(i) নং নিয়ম অনুসৰি আবেদনকাৰীৰ বেতন পৰৱৰ্তী পৰ্যায়ত পদোন্নতি লাভ কৰা উপ-সঞ্চালকৰ পদত ১৩৫০০-১৭২৫০/- টকাৰ বৰ্তমানৰ বেতনৰ নিৰিখত নিৰ্ধাৰণ কৰিবলৈ আৰু প্ৰতিফলস্বৰূপে লাভ কৰা অন্যান্য সকলো সুবিধাৰ অনুমোদন দিবলৈ পুনৰ নিৰ্দেশ প্ৰদান কৰে যেন।"

উক্ত লেখ আবেদনখন ০৪/১২/২০০০ তাৰিখৰ এক আদেশৰ দ্বাৰা নিম্নলিখিত ধৰণে নিৰ্দেশ দি অনুমতি প্ৰদান কৰা হৈছিল :

"ক্ৰমানুসৰি আমি এই লেখ আবেদন গ্ৰহণ কৰোঁ আৰু বিবাদত আদেশটো বাতিল কৰোঁ। নিৰ্দেশ প্ৰদান কৰা হৈছে যে আবেদনকাৰীক ৪১০০-৫৩০০/- টকাৰ বৰ্তমানৰ আনুষংগিক নিৰিখলৈ উন্নীত কৰা হ'ব আৰু পদোন্নতিৰ সময়ত এক বৃদ্ধি প্ৰদান কৰা হ'ব। আজিৰ পৰা চাৰি মাহৰ ভিতৰত বকেয়াসমূহ আদায় দিব লাগিব। এই বিষয়ক পৰ্যবেক্ষণ কৰাটো আমি প্ৰয়োজনীয় বুলি ভাবো যে ৰাজ্যই জৰুৰী পদক্ষেপবোৰ গ্ৰহণ কৰা উচিত আৰু অন্যান্য বহুকেইজন বিষয়াৰ লগত ঘটিব পৰা উক্ত বিসংগতিবোৰ দূৰ কৰিব লাগে।"

এই আদালতে আবেদনকাৰীসকলে দাখিল কৰা এখন বিশেষ অনুমতিৰ আবেদন ১০/০৮/২০০১ তাৰিখৰ আদেশৰ জৰিয়তে বাতিল কৰিছিল। ইয়াৰ মাজতে প্ৰতিবাদীয়ে ১৪৩০০-১৮৩০০/- টকাৰ আনুসংগিক উচ্চ পৰিসৰৰ বেতন দাবী কৰি এখন অৱমাননা আবেদন দাখিল কৰিছিল যাৰ ওপৰত আপিলকাৰীসকলে উত্তৰপত্ৰ দাখিল কৰিছিল যে উচ্চ ন্যায়ালয়ে প্ৰদান কৰা আদেশ তেওঁলোকে মানি চলিছিল। ই এক বিতৰ্কিত বিষয় নহয় যে সংশোধিত নিয়মাৱলী আৰু এ চি পি নিয়মাৱলীৰ প্ৰযোজ্যতাত দেখা দিয়া তাৎপৰ্যপূৰ্ণ বিসংগতিৰ সন্দৰ্ভত উত্থাপিত প্ৰশ্ন উচ্চ ন্যায়ালয়ে বিবেচনা কৰা নাছিল।

বিশেষ অনুমতিৰ আবেদনখনত আপীলকাৰীসকলে উক্ত বিবাদ এনেদৰে নিৰ্বিৰ্বাদে উত্থাপন কৰিছিল :

"যিহেতু এইচ. চি. এছ. (সংশোধিত বেতনৰ নিয়মাৱলী), ১৯৯৮ ৰ অন্তৰ্গত প্ৰথম অনুসূচীৰ ভাগ II ত থকা নিয়ম ২(এইচ্) ৰ জৰিয়তে প্ৰতিবাদী ৪১০০-৫৩০০/- টকাৰ আনুষংগিক নিৰিখৰ বেতন লাভ কৰাৰ যোগ্য নহয় আৰু এইচ্. চি. এছ.  (নিশ্চিত পেচাৰ অগ্ৰগতি) নিয়মাৱলী, ১৯৯৮ ৰ অন্তৰ্গত ১ নং অনুসূচীৰ ভাগ নং ১ ৰ ছিনিয়ৰ নং ৬ ৰ অধীনত থকাৰ দৰে এ চি পি নিয়মাৱলী প্ৰযোজ্য হয়। সেয়েহে, উচ্চ ন্যায়ালয়ে গৃহীত কৰা নিৰ্দেশে এইচ্. চি. এছ. (সংশোধিত বেতনৰ নিয়মাৱলী), ১৯৯৮ ৰ নিয়ম উলংঘা কৰে আৰু লগতে এইচ্. চি. এছ. (এ চি পি) নিয়মাৱলী, ১৯৬৮ অনুসৰি নহয়।"

এইটো বিতৰ্কিত বিষয় নহয় যে বিৰোধী শপতনামাত আপিলকাৰীসকলে এক স্বীকাৰোক্তি প্ৰদান কৰি কৈছিল :

"যে উক্ত দফাটো ভুল আৰু বিভ্ৰান্তিকৰ। আবেদনকাৰীয়ে ৩০০০-৪৫০০/- টকাৰ পূৰ্ব সংশোধিত নিৰিখ আৰু ৪১০০-৫৩০০/- টকাৰ বাছনি গ্ৰেডত উপ-সঞ্চালকৰ পদত কাম কৰি আছিল আৰু তেওঁৰ বেতন ৪১০০-৫৩০০/- টকাৰ নিৰিখত সুৰক্ষিত কৰা হৈছিল। তেওঁৰ বেতন ৩০০০-৪৫০০/- টকাৰ পূৰ্ব নিৰ্দ্ধাৰিত নিৰিখত ধাৰ্য্য কৰা হৈছিল আৰু তেওঁৰ বেতন ৪১০০-৫৩০০/- টকাৰ নিৰিখত সুৰক্ষিত কৰা হৈছিল। চৰকাৰে বেতনৰ নতুন নিৰিখৰ অনুমোদন দিয়াৰ পিছত, আবেদনকাৰীৰ দৰমহা ১৩৫০০-১৭২৫০/- টকাৰ নিৰিখত পুনঃ ধাৰ্য্য কৰা হৈছিল, যাৰ তেওঁ অধিকাৰী আছিল। প্ৰতিবাদী বিভাগৰ দ্বাৰা ধাৰ্য্য কৰা বেতন সংশোধিত বেতনৰ নিৰিখ অনুসৰি হৈছে, যিটো শুদ্ধ।"

বিশেষ অনুমতিৰ আবেদনখন এই ন্যায়ালয়ৰ দ্বাৰা খাৰিজ কৰাৰ সত্বেও নিয়মাৱলীসমূহৰ প্ৰযোজ্যতাৰ সন্দৰ্ভত তাৎপৰ্যপূৰ্ণ স্পষ্টীকৰণ বিচাৰি উচ্চ ন্যায়ালয়ত এখন পুনৰ্নিৰীক্ষণ আবেদন দাখিল কৰা হৈছিল। এইটো যুক্তি দিয়া হৈছিল যে উল্লেখযোগ্য স্বীকাৰোক্তিটো নিয়মাৱলীৰ বিধানসমূহত ভুলকৈ ব্যাখ্যা কৰা হৈছিল। ইয়াৰোপৰি এইটোও যুক্তি দিয়া হৈছিল যে প্ৰতিবাদী এ চি পি নিয়মাৱলীৰ দ্বাৰা নহয়, সংশোধিত নিয়মাৱলীৰ দ্বাৰাহে পৰিচালিত হয়।

আনহাতে, প্ৰতিবাদীয়ে বিতৰ্ক কৰিছিল যে এ চি পি নিয়মাৱলীৰ কোনো প্ৰযোজ্যতা নাই যিহেতু তেওঁ ইতিমধ্যে উক্ত নিয়মাৱলী বলৱৎ হোৱাৰ পূৰ্বেই দুবাৰকৈ পদোন্নতি লাভ কৰিছিলে।

উক্ত বিবাদত আদেশৰ কাৰণে উক্ত পুনৰ্নিৰীক্ষণ আবেদনখন খাৰিজ কৰা হৈছে।

পক্ষসমূহৰ প্ৰতিদ্বন্দ্বী বিবাদত নামি পৰাৰ আগতে আমি হয়তো লক্ষ্য কৰা উচিত যে উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে ০২/০৩/২০০৪ তাৰিখে নিম্নলিখিত আদেশটো গৃহীত কৰিছিল :

"আবেদনকাৰীজন ৪১০০-৫৩০০/- টকাৰ নিৰিখত কৰ্মৰত আছিল, যাক ০৪/১২/২০০০ তাৰিখৰ আদেশৰ ভিত্তিত প্ৰত্যাহাৰ কৰা হৈছিল, সেই নিৰিখ পুনৰুদ্ধাৰ কৰিবলৈ নিৰ্দেশ দিয়া হৈছিল, ৫ নং বেতন আয়োগ অনুসৰি উক্ত নিৰিখৰ সৈতে আনুষংগিক নিৰিখ কিমান সেই লৈ বিবাদৰ সৃষ্টি হৈছিল।

প্ৰত্যাহাৰৰ পূৰ্বে কিমান আনুষংগিক নিৰিখ প্ৰয়োগ কৰা হৈছিল সেই বিষয়ে পক্ষসমূহৰ বিদ্বান অধিবক্তা স্পষ্ট নহয়। ৰাজ্যৰ বাবে হাজিৰ হোৱা বিদ্বান অধিবক্তাৰ মতবাদ হ'ল যে আনুষংগিক নিৰিখ ১২০০০-১৬৫০০/- টকা হ'ব লাগে, কিন্তু আবেদনকাৰীৰ মতে, আনুষংগিক নিৰিখ ১৩৫০০-১৭২৫০/- টকা হ'ব লাগে।

যিহেতু লেখ আবেদন নিষ্পত্তি কৰা হৈছে আৰু এই বিষয়টোৰ ওপৰত কোনো বিচাৰ হোৱা নাছিল, কঠোৰভাৱে ক'বলৈ গ'লে উত্থাপিত বিতৰ্কটো পুনৰ্নিৰীক্ষণ আবেদনৰ বিষয়বস্তু হ'ব নোৱাৰে। অৱশ্যে, পৰৱৰ্তী শুনানিৰ তাৰিখত এই বিষয়টোৰ ওপৰত সিদ্ধান্ত লোৱা হ'ব।"

আমি এই সন্ধিক্ষণত হাৰিয়ানা চৰকাৰৰ বিত্তীয় আয়ুক্ত আৰু সচিব, বিত্ত বিভাগে জাৰি কৰা এখন পত্ৰও লক্ষ্য কৰিব পাৰো, যিখন নিম্নলিখিত চৰ্তসমূহৰ ওপৰত জাৰি কৰা হৈছে :

"ওপৰত উল্লেখ কৰা বিষয়টোৰ ওপৰত আপোনালোকৰ মনোযোগ আকৰ্ষণ কৰিবলৈ আৰু ক'বলৈ মোক নিৰ্দেশ দিয়া হৈছে যে উক্ত বিষয়টো বিত্ত বিভাগৰ দৃষ্টিগোচৰ হৈছে যে ০৭/০১/১৯৯৮ তাৰিখৰ অধিসূচনাৰ জৰিয়তে

বিত্ত বিভাগে জাৰি কৰা হাৰিয়ানা অসামৰিক সেৱা (সংশোধিত বেতন) নিয়মাৱলী, ১৯৯৮ ৰ অন্তৰ্গত প্ৰথম অনুসূচীৰ খণ্ড II ৰ অধীনত নিৰূপণ কৰাৰ দৰে বিভাগসমূহে বাছনি গ্ৰেড (পূৰ্ব সংশোধিত) ৰ দৰমহা নিৰিখ পৰিৱৰ্তন কৰাৰ বাবে অনুমতি প্ৰদান কৰা নাই।

এই বিষয়টো চৰকাৰে বিতংভাৱে পৰীক্ষা কৰিছে আৰু সিদ্ধান্ত লৈছে যে পূৰ্ব-সংশোধিত নিৰিখসমূহত যʼতেই বাছনি গ্ৰেডসমূহ পদবোৰৰ নিৰ্দিষ্ট শতাংশ হিচাপে আছিল আৰু নিৰ্ধাৰিত বছৰজোৰা সেৱাৰ পিছত, সংশোধিত নিৰিখতো বাছনি গ্ৰেড সন্নিৱিষ্ট কৰিব বুলি তেওঁলোকে কৈছিল আৰু এনে বাছনি গ্ৰেডসমূহৰ বিষয়ে যদি পৃথককৈ উল্লেখ কৰা হোৱা নাই, তেন্তে তেনে বাছনি গ্ৰেডৰ পৰিৱৰ্তন হাৰিয়ানা অসামৰিক সেৱা (সংশোধিত বেতন) নিয়মাৱলী, ১৯৯৮ ৰ অন্তৰ্গত প্ৰথম অনুসূচীৰ খণ্ড II ৰ অধীনত নিৰ্ধাৰণ কৰাৰ দৰেই পৰিৱৰ্তিত নিৰিখ হʼব বুলি কৈছিল। এই বিষয় সকলো চিন্তাগ্ৰস্ত চৰকাৰী কৰ্মচাৰীৰ কাৰণে ভাল হʼব যাৰ বাবে নিৰ্দিষ্ট এ চি পি নিয়মাৱলীবোৰ আৱৰ্তন কৰা হোৱা নাই।"

আপীলকাৰীসকলৰ হৈ হাজিৰ হোৱা বিদ্বান জ্যেষ্ঠ অধিবক্তা শ্ৰীযুত আৰ শ্ৰীবাস্তৱ ডাঙৰীয়াৰ বিতৰ্ক হʼল যে উচ্চ ন্যায়ালয়ে পৰ্যৱেক্ষণ কৰাৰ পিছতো নিয়মাৱলীৰ প্ৰযোজ্যতাৰ ক্ষেত্ৰত উত্থাপিত প্ৰশ্নৰ লগতে আৱেদনখনৰ হৈ প্ৰস্তুত কৰা তাৎপৰ্যপূৰ্ণ স্বীকাৰোক্তিৰ প্ৰভাৱকো পৰীক্ষা কৰা হʼব, আৰু তেনে কৰাত ব্যৰ্থ হʼলে সেই কথা বিবাদিত আদেশৰ পৰা পৰিলক্ষিত হʼব।

কাৰ্যবাহী চৰকাৰৰ ক্ৰিয়া-কলাপত ভুল সদায় হʼব পাৰে আৰু যদি সেই কাৰণত কোনো ভুল নিয়ম প্ৰযোজ্য কৰা হয়, তেন্তে সাধাৰণতে তাক কাৰ্য্যকৰি কৰিবলৈ দিয়া উচিত নহয় যিহেতু তাৰ পৰা এক বৃহৎ ক্ষতি হʼব পাৰে। দৰমহাৰ পৰিসৰৰ প্ৰযোজ্যতাৰ বিষয়ত থকা অস্পষ্টতাৰ ওপৰত উচ্চ ন্যায়ালয়ে বিবেচনা কৰিব লাগিছিল বুলি আহ্বান জনোৱা হৈছিল।

আনহাতে, প্ৰতিবাদীৰ হৈ হাজিৰ হোৱা বিদ্বান অধিবক্তা শ্ৰীযুত প্ৰভজিৎ জৌহৰে দাবী কৰিছিল যে এ চি পি নিয়মাৱলী, যি ১৯৯৬ চনৰ পৰা কাৰ্য্যকৰি হোৱাকৈ ১৯৯৮ চনত জাৰি কৰা হৈছিল, উক্ত মোকৰ্দমাত সেই নিয়মাৱলীৰ

কোনো প্ৰয়োগ নাই। স্বীকাৰ কৰা হৈছিল যে প্ৰতিবাদীৰ বেতন সঞ্চালকীয় স্তৰত ১৩৫০০-১৭২৫০/- টকাৰ দৰমহা নিৰিখত নিৰ্দ্ধাৰণ কৰা হৈছিল আৰু বিষয়টোৰ সেই দৃষ্টিভংগীত, আপীলকাৰীক উক্ত স্বীকাৰোক্তিৰ পৰা প্ৰত্যাখ্যান কৰিবলৈ অনুমতি দিব নোৱাৰি।

সুপৰিচিত কথা যে এটা ৰায় সম্পূৰ্ণৰূপে পাঠ কৰিব লাগে। এখন আদালতৰ ৰায় কাৰ্যকৰীও হ'ব লাগে। ৰায়দানৰ প্ৰভাৱ কি হ'ব সেয়া লেখ আবেদনত দাবী কৰা সকাহৰ পৰাই বিবেচনা কৰিব লাগিব আৰু লগতে ইয়াৰ প্ৰভাৱসমূহো বিবেচনা কৰিব লাগিব যিসমূহ সমগ্ৰ ৰায়টো পাঠ কৰিহে ব্যাখ্যা কৰা উচিত। পক্ষসমূহৰ আবেদনৰ মুলতত্ব বুজিবলৈও ৰায় পাঠ কৰিবলগীয়া হ'ব পাৰে।

*কৰ্ণাটক ৰাজ্য আৰু অন্যান্য বনাম চি. ললিতা,* **[২০০৬] ২ এছ চি চি ৭৪৭,** ত এই আদালতে পৰ্যৱেক্ষণ কৰিছিল :

"এইটো সকলোৰে পৰিচিত কথা যে, এটা ৰায় বিধি হিচাপে পঢ়িব নালাগে। কিন্তু, এইটোও পৰিচিত কথা যে ৰায়টোক এনেদৰে ব্যাখ্যা কৰিব লাগে, যেন ইয়াক আইন অনুসৰি প্ৰদান কৰা হৈছিল।"

এইটো লক্ষ্য কৰা হৈছিল :

"গজৰাজ সিং বনাম ইউ. পি. ৰাজ্য, (এছ চি চি পৃষ্ঠা ৭৬৮, দফা ৮); ত এই আদালতে ৰায় প্ৰদান কৰিছিল :

"আদালতৰ ৰায় পঢ়াৰ পিছত উদ্ভৱ হোৱা সন্দেহ এই কথাক অনুমান কৰি সমাধান কৰিব পাৰি যে উক্ত ৰায় আইনৰ বিধানৰ সৈতে সামঞ্জস্য ৰাখি প্ৰদান কৰা হৈছিল আৰু সেয়েহে এটা বিষয় বা প্ৰক্ৰিয়াৰ পৰা আঁতৰি থকাক বা বিধিগত বিধানৰ সৈতে সামঞ্জস্য নৰখাক আদালতৰ উদ্দেশ্য বা আদালতে নিৰ্দ্ধাৰণ কৰা বুলি ক'ব নোৱাৰি যদিহে তাক আদালতৰ দ্বাৰা বিশেষভাৱে উল্লেখ কৰা হোৱা নাই।"

আমি, বৰ্তমান নিৰ্দেশ প্ৰদান কৰাৰ দৰে, এই প্ৰশ্নত যাব নোখোজো যে প্ৰতিবাদীৰ ক্ষেত্ৰত সংশোধিত দৰমহা নিয়মাৱলী আৰু এ চি পি নিয়মাৱলী প্ৰযোজ্য হ'ব নে নহয়| পক্ষসমূহৰ মাজত হোৱা বিবাদ আইন অনুসৰি বিচাৰ কৰিব লাগে| কিন্তু, সেইটো কথা নুই কৰিব বা বিতৰ্কিত কৰিব নোৱাৰি যে পক্ষসমূহৰ মাজত হোৱা বিবাদৰ ওপৰত যেতিয়া এবাৰ আইন অনুসৰি ৰায় প্ৰদান কৰা হয়, তেতিয়া উক্ত বিবাদ এক যুক্তিসংগত সিদ্ধান্তত উপনীত হ'ব লাগে| যদি এক নিৰ্দ্দিষ্ট প্ৰশ্ন যি আগতে উত্থাপিত হোৱা নাছিল আৰু যাৰ ওপৰত উচ্চ ন্যায়ালয়ে কোনো সিদ্ধান্ত লোৱা নাছিল, তেন্তে তেনে প্ৰশ্নই এক উপযুক্ত পৰ্য্যায়ত কোনো পক্ষক তাৰ ওপৰত আপত্তি দৰ্শোৱাত বাধা প্ৰদান নকৰিব, কিন্তু, নিশ্চিতভাৱে, পূৰ্ব্ব বিচাৰিত(res judicata) বা গঠনমূলক পূৰ্ব্ব বিচাৰিত(res judicata) নীতিৰ প্ৰযোজ্যতাৰ ক্ষেত্ৰতহে|

এই কথাও ত্ৰুটিপূৰ্ণ যে যদি কোনো এক ৰায় কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত কাৰ্য্যৰ কাৰণৰ সৃষ্টি হৈছিল, তেন্তে নতুনকৈ লেখ আবেদন দাখিল কৰিব পৰা যাব, যিহেতু কাৰ্য্যৰ এক নতুন কাৰণৰ সৃষ্টি হৈছে|

*জে. এছ. পৰিহাৰ বনাম গণপত ডুগ্গৰ আৰু অন্যান্য,* **[১৯৯৬] ৬ এছ চি চি ২৯১,** শীৰ্ষক মোকৰ্দমাত উক্ত ন্যায়ালয়ে উপস্থাপন কৰিছিল :

"... প্ৰশ্ন হয় যে পূৰ্বৰ বিচাৰপীঠে জাৰি কৰা নিৰ্দেশাৱলীৰ সৈতে জ্যেষ্ঠতা তালিকাখনৰ সামঞ্জস্য আছে নে নাই সেই কথা সন্ধান কৰিবলৈ অৱজ্ঞা প্ৰক্ৰিয়াত উক্ত তালিকাখন পুনৰ্নিৰীক্ষণ কৰিব পাৰি নে নোৱাৰি| দেখা যায় যে আদালতে জাৰি কৰা নিৰ্দেশাৱলীৰ ভিত্তিত এবাৰ চৰকাৰে এটা আদেশ গৃহীত কৰিলে, উপযুক্ত মঞ্চত প্ৰতিকাৰ বিচাৰিবলৈ কাৰ্য্যৰ এক নতুন কাৰণৰ সৃষ্টি হয়| জ্যেষ্ঠতা তালিকাখন প্ৰস্তুত কৰাৰ ক্ষেত্ৰতো ভুল হ'ব পাৰে বা শুদ্ধ হ'ব পাৰে বা নিৰ্দেশাৱলীৰ লগত সামঞ্জস্যপূৰ্ণ হ'বও পাৰে বা নহ'বও পাৰে|কিন্তু সেয়া  ন্যায়িক পুনৰ্নিৰীক্ষণ কৰিবৰ বাবে সুযোগ লাভ কৰিবলৈ ক্ষতিগ্ৰস্ত পক্ষৰ বাবে উদ্ভৱ হোৱা কাৰ্য্যৰ এক নতুন কাৰণ হ'ব| কিন্তু, তাক ইচ্ছাকৃতভাৱে কৰা আদেশৰ উলঙ্ঘন বুলি গণ্য কৰিব নোৱাৰি| অৱজ্ঞা প্ৰক্ৰিয়াসমূহত ন্যায়িক পুনৰ্নিৰীক্ষণৰ পুনঃপ্ৰয়োগ কৰাৰ পিছত, জ্যেষ্ঠতা তালিকাখন পুনৰ গঠন কৰিবলৈ বিদ্বান একক ন্যায়াধীশৰ দ্বাৰা এক নতুন

নিৰ্দেশনা প্ৰদান কৰিব নোৱাৰি। অৰ্থাৎ, বিদ্বান ন্যায়াধীশজনে অৱজ্ঞা প্ৰক্ৰিয়াসমূহৰ বিষয়টো তাৰ গুণৰ ভিত্তিত বিবেচনা কৰিবলৈহে উক্ত ক্ষেত্ৰাধিকাৰ প্ৰয়োগ কৰি আছিল। অধিনিয়মখনৰ অন্তৰ্গত ১২ নং ধাৰাৰ অধীনত এই বিষয়ক অনুমতি প্ৰদান কৰা নহ'ব।..."

[উৰিষ্যা ৰাজ্য আৰু অন্যান্য বনাম অশ্বিনী কুমাৰ বলিয়াৰসিং, (২০০৬) ৭ এছ চি এ এল ই ৬১০ ও চাওক]

এক স্বীকাৰোক্তিৰ প্ৰভাৱৰ ফলত হোৱা আইনো আগলৈ আৰু সম্পূৰ্ণৰূপে *অবিবেচিত* (res integra) নহয়। যিহেতু একেটা প্ৰক্ৰিয়াৰ পৰৱৰ্তী পৰ্য্যায়ত কোনো পক্ষক তেওঁৰ স্বীকাৰোক্তিৰ পৰা আঁতৰি থাকিবলৈ অনুমতি প্ৰদান কৰা নহ'ব, এইটোও ত্ৰুটিপূৰ্ণ কথা যে আইনৰ বিপৰীতে কৰা স্বীকাৰোক্তি ৰাজ্যৰ বাবে বাধ্যতামূলক নহ'ব।

*সংগ্ৰামসিং পি. গেকোৱাদ আৰু অন্যান্য বনাম এল আৰ এছৰ জৰিয়তে শান্তাদেৱী পি. গেকোৱাদ (মৃত) আৰু অন্যান্য,* [২০০৫] ১১ এছ চি চি ৩১৪ ৰ ওপৰত নিৰ্ভৰ কৰা হৈছে, কিন্তু তাত আদালতে আবেদনসমূহত কৰা স্বীকাৰোক্তিৰ প্ৰভাৱৰ বিষয়ে বিবেচনা কৰিছিল যিটো পৰৱৰ্তী প্ৰক্ৰিয়াসমূহৰ পক্ষৰ নিজৰ ক্ষমতাৰ ওপৰত বাধ্যতামূলক আছিল।

ইয়াত আপীলকাৰীসকলে দাখিল কৰা পুনৰ্নিৰীক্ষণ আবেদনখন ৰক্ষণাবেক্ষণযোগ্য নাছিল। অভিলেখত প্ৰথমতে কোনো আপাত ভুল দৃষ্টিগোচৰ হোৱা নাছিল। এক পৃথক কাৰ্য্যবিধিত পৰৱৰ্তী কাৰ্য্যৰ কাৰণ যিটো উদ্ভৱ হৈছে, তাৰ প্ৰতি লক্ষ্য ৰাখি, ৰায়দানৰ প্ৰভাৱক নতুনকৈ বিবেচনা কৰিবলগীয়া হ'ব পাৰে, কিন্তু সি নিজেই কোনো এখন পুনৰ্নিৰীক্ষণ আবেদন দাখিল কৰাৰ ভিত্তি নহ'বও পাৰে।

শ্ৰীযুত শ্ৰীবাস্তৱ ডাঙৰীয়াই দাবী জনাইছিল যে পুনৰ্নিৰীক্ষণৰ প্ৰভাৱ আৰু সাৰাংশ বিছাৰি কৰা আবেদন আছিল উক্ত ন্যায়ালয়ৰ ৰায়ৰ স্পষ্টীকৰণৰ বাবে কৰা আবেদন। আমি তেনেকৈ নাভাবো। পুনৰ্নিৰীক্ষণ আবেদনৰ ফলাফল লাভ কৰিবলৈ স্পষ্টীকৰণৰ বাবে কৰা আবেদনৰ আশ্ৰয় ল'ব নোৱাৰি। যি প্ৰত্যক্ষভাৱে কৰিব নোৱাৰি, সেয়া পৰোক্ষভাৱেও কৰিব নোৱাৰি। *[ৰাম চন্দ্ৰ সিং বনাম সাবিত্ৰী দেৱী আৰু অন্যান্য,* [২০০৪] ১২ এছ চি চি ৭১৩]

যদিহে প্ৰতিবাদীৰ ক্ষেত্ৰত এ চি পি নিয়মাৱলী প্ৰযোজ্য হ'লহেঁতেন, তেন্তে উক্ত বিষয়টো উচ্চ ন্যায়ালয়ৰ নজৰলৈ অনাটো আৰু উক্ত বিষয়ত আইনগতভাৱে বিচাৰ কৰি নিষ্পত্তি কৰোৱাৰ বাবে আহ্বান জনোৱাটো আপীলকাৰীসকলৰ কৰ্তব্য হ'লহেঁতেন। কিন্তু লেখ আবেদনত উত্থাপন নোহোৱা এটা প্ৰশ্ন উত্থাপন কৰি তাৰ বিৰুদ্ধে গৃহীত হোৱা ফলপ্ৰসূ আদেশক বাতিল কৰিব নোৱাৰিলেহেঁতেন। বিষয়টো প্ৰত্যক্ষ বা পৰোক্ষভাৱে নিৰ্ণয় কৰিবৰ বাবে প্ৰাসংগিক প্ৰশ্ন এটাৰ ওপৰত হয়তো কোনো আইনগত বিচাৰ নহ'লহেঁতেন, কিন্তু তেনে প্ৰকৃতিৰ মোকৰ্দমাৰ পুনৰ্নিৰীক্ষণ কাৰ্য্যবিধিত এনে বিতৰ্ক গ্ৰহণ কৰিব নোৱাৰিলেহেঁতেন, যি বিতৰ্কৰ মোকৰ্দমাৰ বিচাৰৰ পিছত আদালতে প্ৰদান কৰা সুবিধাবোৰ কাঢ়ি লোৱাৰ ক্ষমতা আছে।

এটা মোকৰ্দমাৰ কোনো এক পক্ষই লেখ প্ৰক্ৰিয়াত গ্ৰহণ কৰা স্থিতিৰ বিপৰীত বা অসংগতিপূৰ্ণ স্পষ্টীকৰণ বিচৰাৰ ক্ষেত্ৰত পক্ষটো স্বাধীন নহ'বও পাৰে। এই *আদালতৰ ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ড আৰু অন্যান্য বনাম নেতাজী ক্ৰিকেট সংঘ আৰু অন্যান্য,* [২০০৫] ৪ এছ চি চি ৭৪১ শীৰ্ষক এক মোকৰ্দমাত প্ৰদান কৰা এক সিদ্ধান্তই আমাৰ দৃষ্টি আকৰ্ষণ কৰিছে, যত এই আদালতে মতামত দিছিল :

> "আদালতে যিকোনো পৰিস্থিতিতে নিজৰ পুনৰ্নিৰীক্ষণৰ ক্ষেত্ৰাধিকাৰ প্ৰয়োগ কৰাৰ সময়ত পৰৱৰ্তী কোনো পৰিঘটনাৰ কথা বিবেচনা কৰিব নোৱাৰে বুলি কোৱাটোও শুদ্ধ নহয়। যেতিয়া এই ধৰণৰ মোকৰ্দমাত ব'ৰ্ডৰ হৈ হাজিৰ হোৱা বিদ্বান অধিবক্তাই দিয়া প্ৰতিশ্ৰুতিৰ প্ৰকৃতি আৰু উদ্দেশ্য আৰু ২৯/০৯/২০০৪ তাৰিখে অনুষ্ঠিত হোৱা ব'ৰ্ডৰ এ জি এমত কি সংঘটিত হৈছিল তাৰ সৈতে ইয়াৰ সম্পৰ্ক বুজি পোৱাৰ ক্ষেত্ৰত নিজে কৰা ভুল স্বীকাৰ কৰে, তেতিয়া এই আদালতে নিজৰ ভুল শুধৰণিৰ উদ্দেশ্যে পৰৱৰ্তী পৰিঘটনাটো বিচাৰ কৰিব পাৰে।"

তাত এক পুনৰ্নিৰীক্ষণ প্ৰক্ৰিয়া বিবেচনা কৰা হৈছিল যিহেতু আদালতে ব'ৰ্ডৰ হৈ হাজিৰ হোৱা বিদ্বান অধিবক্তাই দিয়া প্ৰতিশ্ৰুতিৰ প্ৰকৃতি আৰু উদ্দেশ্য বুজি পোৱাত কৰা ভুল মানি লৈছিল। সেই প্ৰসংগতেই মতামত প্ৰদান কৰা হৈছিল যে আদালতে নিজৰ ভুল শুধৰণিৰ উদ্দেশ্যে পৰৱৰ্তী ঘটনাটো বিচাৰ কৰিব পাৰে। পৰৱৰ্তী পৰিঘটনাৰ কিছু প্ৰাসংগিকতা

থাকিব পাৰে কিন্তু তাৰ পুনৰ্নিৰীক্ষণ কৰিব খোজা ৰায়দানৰ সৈতে প্ৰত্যক্ষ যোগসূত্ৰ থাকিব লাগিব। পূৰ্বতেই পৰিলক্ষিত হৈছে যে আমাৰ সন্মুখত আহ্বান জনোৱাৰ বাবে প্ৰয়াস কৰা হৈছিল যে পুনৰ্নিৰীক্ষণ আবেদনখন প্ৰভাৱ আৰু বিষয়বস্তুৰ ক্ষেত্ৰত স্পষ্টীকৰণৰ বাবে জনোৱা এখন আবেদন আছিল।

এই ক্ষেত্ৰত তাৎপৰ্যপূৰ্ণ পৰৱৰ্তী ঘটনাটো হ'ল অৱমাননা আবেদন দাখিল কৰা। অৱমাননা আবেদনখনত আপীলকাৰীসকলৰ বিশেষ স্থিতি হ'ল যে তেওঁলোকে আদালতৰ আদেশ পালন কৰিছিল। যদি আদালতৰ আদেশ পালন কৰিছিল, তেন্তে পৰৱৰ্তী তেনে কোনো পৰিঘটনা নাছিল যাক বিবেচনা কৰাটো প্ৰয়োজনীয় আছিল। আদালত অৱমাননা অধিনিয়ম, ১৯৭১ ৰ অন্তৰ্গত বিধানৰ অধীনত আবেদন দাখিল কৰাটো নিজেই উক্ত ৰায়ৰ অন্তৰ্গত সুবিধা অস্বীকাৰ কৰাৰ এক কাৰণ হ'ব নোৱাৰে। আদালতৰ ৰায় কাৰ্য্যকৰী হৈছে বুলি কোৱাটো এটা কথা, কিন্তু এইটো অন্য এক চিন্তা যে ৰায়দানৰ প্ৰভাৱ তেনে নহয় যেনেকৈ প্ৰতিবাদীয়ে দাবী কৰিছিল। সেই অৰ্থতে, অধিনিয়মখন নিৰ্দ্ধাৰণ কৰিছে যাতে পৰৱৰ্তী পৰিঘটনাই এক নতুন কাৰ্য্যৰ কাৰণৰ সৃষ্টি কৰিব পাৰে।

এই আদালতৰ এক মোকৰ্দমা, *নেশ্যনেল হাওচিং কোপ. ছ'ছাইটি লিমিটেড বনাম ৰাজস্থান ৰাজ্য আৰু অন্যান্য,* [২০০৫] ১২ এছ চি চি ১৪৯ ৰ সিদ্ধান্তৰ ওপৰতো নিৰ্ভৰ কৰা হৈছে, য'ত নিম্নলিখিত *কুঁহায়াম্মেদ আৰু অন্যান্য বনাম কেৰালা ৰাজ্য আৰু অন্যান্য,* [২০০৬] ৬ এছ চি চি ৩৫৯ শীৰ্ষক মোকৰ্দমাত এই আদালতৰ এখন খণ্ড বিচাৰপীঠে মতামত দিছিল যে যেতিয়া এক মৌন আদেশৰ দ্বাৰা এখন বিশেষ অনুমতিৰ আবেদন খাৰিজ কৰা হয়, তেতিয়া উচ্চ ন্যায়ালয়ে এখন লেখৰ পুনৰ্নিৰীক্ষণৰ ফালে আগবাঢ়িব পাৰে।

যি কি নহওক, জৌহৰ ডাঙৰীয়াৰ দাবী হ'ল যে যদিহে এখন পুনৰ্নিৰীক্ষণৰ আবেদন দাখিল কৰা আৰু অনুমোদন জনাবৰ বাবে অনুমতি প্ৰদান কৰা হয়, তেন্তে উক্ত আবেদনে আপীলকাৰীসকলে দাখিল কৰা বিশেষ অনুমতিৰ আবেদন খাৰিজ কৰি এই আদালতে প্ৰদান কৰা আদেশ বাতিল কৰিব। এইটো হ'ব পাৰে, কিন্তু আমাৰ মতামত হ'ল যে এই

মোকৰ্দমাৰ তথ্য আৰু পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি এক বাধ্যতামূলক নজিৰ পুনৰ খোলাৰ প্ৰচেষ্টা চলোৱাটো আমাৰ বাবে প্ৰয়োজনীয় নহয়, বিশেষকৈ তেতিয়া যেতিয়া তাৰ বাবে কোনো নতুন কাৰ্য্যৰ উদ্ভৱ নহয়।

সেয়েহে, আমাৰ মতামত হ'ল যে এই আপীলৰ কোনো গ্ৰহণযোগ্যতা নাই, সেয়েহে, সেই অনুসৰি উক্ত আবেদন খাৰিজ কৰিব লাগিব। অৱশ্যে, ভৱিষ্যতে যদি এক বা ততোধিক নিয়মাৱলীৰ প্ৰযোজ্যতাৰ সন্দৰ্ভত কোনো প্ৰশ্ন উত্থাপন হয়, তেন্তে আইন অনুসৰি তথা প্ৰতিটো গোচৰতে লাভ কৰা তথ্যৰ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি উক্ত প্ৰশ্নৰ নিজা গ্ৰহণযোগ্যতাৰ সন্দৰ্ভত বিবেচনা কৰিব লাগিব। এই মোকৰ্দমাৰ উক্ত তথ্য আৰু পৰিস্থিতিত, ব্যয়ৰ ক্ষেত্ৰত কোনো আদেশ নাথাকিব।

কে.কে.টি. আপীল খাৰিজ কৰা হ'ল।

অনুবাদক- মিঠুপ্ৰিয়া বৰা

পৰীক্ষক: মোবাৰক হুছেইন, জ্যেষ্ঠ অনুবাদক